# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-08-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১।	দেশজুৰি আজি ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হৈছে। বিগত ১২ বছৰত জনসাধাৰণে দেশক নতুন উচ্চতালৈ লৈ যোৱাৰ প্ৰচেষ্টা চলাইছে বুলি স্বাধীনতা দিৱসৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

২।	অসমতো আজি উলহ-মালহেৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হৈছে।

৩।	পহিলা নৱেম্বৰৰ পৰা এমাহৰ বাবে বাল্য বিবাহৰ বিৰুদ্ধে অসম আৰক্ষীয়ে ৰাজ্যখনত আপোচবিহীন অভিযান চলাব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৪।	উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হৈছে। ***আৰু***

৫।	কাইলৈ আৰু পৰহিলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০

দেশে আজি ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা এই উদযাপনৰ গুৰি ধৰে। প্ৰধানমন্ত্ৰীৰ আগমনৰ লগে লগে লালকিল্লাত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম পৰিৱেশন কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগে লগে ভাৰতীয় বায়ুসেনাৰ Mi-17 শ্ৰেণীৰ দুখন হেলিকপ্তাৰেৰে উদযাপনস্থলীত পুষ্পবৃষ্টি কৰা হয়। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ সময়তে ২১ টা টোপধবনিৰে অভিবাদন জনোৱা হয়। এই বছৰ স্বাধীনতা দিৱসত বন্দে মাতৰমৰ ডেৰশ বছৰ উদযাপনৰ লগতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যৰ যাত্ৰাত দেশৰ যুৱ শক্তিৰ আশা-আকাংক্ষা, শক্তি তথা গুৰুত্বপূৰ্ণ অৱদানক উদযাপন কৰা হৈছে। এই উদযাপনত দেশৰ তিনিওটা সেনাবাহিনীৰ আঢ়ৈ হাজাৰ কেডেটৰ লগতে মাই ভাৰত স্বেচ্ছাসেৱকসকলে অংশগ্ৰহণ কৰে।

লালকিল্লা প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে লালকিল্লাৰ পৰা বন্দে মাতৰম ধ্বনিত হয়। তেওঁ কয়, যে শেহতীয়াকৈ দেশৰ কোনো কোনো অংশত বান আৰু ভূমিস্খলনৰ ফলত বহু পৰিয়াল ক্ষতিগ্ৰস্ত হয়। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশ এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আছে বুলি আশ্বাস দিয়ে। তেওঁ কয়, যে এখন ৰাষ্ট্ৰ যেতিয়া নিজৰ সংকল্প আৰু সামৰ্থ্যৰ বলত আগবাঢ়ি যায়, তেতিয়াই সেই ৰাষ্ট্ৰ মহান হয়।

বাইট

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বিগত ১২ বছৰত দেশৰ কোটি কোটি জনসাধাৰণে নিজৰ দৃঢ়তা আৰু নিষ্ঠাৰে দেশক নতুন উচ্চতালৈ লৈ যোৱাৰ বাবে যৎপৰোনস্তি চেষ্টা চলাইছে। এই প্ৰচেষ্টাৰ ফলতে ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে বুলি তেওঁ কয়। এসময়ত ৫ খন ভংগুৰ অৰ্থনীতিৰ দেশৰ অন্যতম ভাৰত, বৰ্তমান বিশ্বৰ গুৰুত্বপূৰ্ণ আৰু দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে গঢ়ি উঠিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

বাইট

বিভিন্ন খণ্ডত দেশে লাভ কৰা সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বিগত ১২ বছৰত প্ৰতিৰক্ষা সা-সঁজুলি নিৰ্মাণ প্ৰায় চাৰি গুণ, খাদী আৰু গ্ৰাম্য উদ্যোগৰ উৎপাদন প্ৰায় পাঁচ গুণ, ইলেক্ট্ৰনিক নিৰ্মাণ প্ৰায় সাত গুণ, আধুনিক ৰে'লৰে দবা নিৰ্মাণ ২১ গুণ আৰু ম'বাইল ফোনৰ নিৰ্মাণ ৩৩ গুণ বৃদ্ধি পাইছে। তেওঁ লগতে কয়, যে ইণ্টাৰনেটৰ ব্যৱহাৰকাৰীও প্ৰায় চাৰিগুণ আৰু ডিজিটেল লেনদেন ১০০ গুণ বৃদ্ধি পাইছে। এন ডি এ চৰকাৰে সাধাৰণ নাগৰিকৰ কল্যাণ আৰু সুবিধাৰ প্ৰতিও সমানেই গুৰুত্ব সহকাৰে কাম কৰি আছে বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰে যে শতাধিক আওপুৰণি আইন বাতিলৰ লগতে হাজাৰ হাজাৰ নিয়ম বৰ্জনৰ জৰিয়তে প্ৰশাসনিক ব্যৱস্থাতো আমূল পৰিৱৰ্তন অনা হৈছে।

বাইট

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতে ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰ লক্ষ্যৰ দিশে আগবাঢ়ি যোৱাৰ সময়ত বহু অভূতপূৰ্ব সংকট সফলভাৱে অতিক্ৰম কৰিছে। কোৱিড-১৯ মহামাৰী আৰু ইউক্ৰেইন তথা পশ্চিম এছিয়াৰ সংঘাতৰ পৰৱৰ্তী সময়ৰ প্ৰত্যাহ্বানসমূহৰ কথা সুঁৱৰি শ্ৰী মোদীয়ে কয়, যে এই সংকটৰ সময়ত প্ৰতিষেধক, ইন্ধন, গেছ, ডিজেল আৰু সাৰৰ মজুত হ্ৰাস হোৱা বুলি জনসাধাৰণৰ মাজত আতংকৰ সৃষ্টি কৰাৰ বাবে বহু ভৱিষ্যবাণী আৰু ভুৱা প্ৰচাৰ বিয়পি পৰিছিল। ভাৰতৰ সু-পৰিকল্পিত নীতি, প্ৰস্তুতি আৰু সক্ৰিয় ব্যৱস্থাই এই প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাত সহায় কৰিছিল বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে নাগৰিক দেৱো ভৱঃ নীতিৰ দ্বাৰা পৰিচালিত চৰকাৰৰ পন্থাই বিগত দশকত গ্ৰহণ কৰা ব্যৱস্থাসমূহ যাতে সংকটৰ সময়ত ফলপ্ৰসূ হয়, সেয়া নিশ্চিত কৰে। বৰ্তমান দেশত গেছ, পেট্ৰ'ল আৰু ইউৰিয়াৰ পৰ্যাপ্ত যোগান আছে আৰু নিজৰ সামৰ্থ্যৰ বলত দেশ আত্মবিশ্বাসেৰে আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে।

বাইট

উল্লেখযোগ্য যে এইবাৰ লালকিল্লাৰ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে বিভিন্ন ক্ষেত্ৰৰ প্ৰায় পাঁচ হাজাৰ গৰাকী বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে।

০০০০

বিশ্ব নেতা আৰু বিদেশী অভিযানসমূহে ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ভাৰতক শুভেচ্ছা জনাইছে। বিশ্ব নেতাসকলে ভাৰতৰ গণতান্ত্ৰিক যাত্ৰা, সভ্যতাগত ঐতিহ্য তথা আঞ্চলিক আৰু গোলকীয় সহযোগিতাৰ ক্ষেত্ৰত সুদূৰ প্ৰসাৰী ভূমিকাৰ প্ৰশংসা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰদেশ সচিব মাৰ্কো ৰুবিঅ'ই ভাৰত আৰু আমেৰিকাৰ মাজৰ সুদৃঢ় সম্পৰ্কত আলোকপাত কৰাৰ লগতে ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নমে দক্ষতা, ডিজিটেল ব্যৱস্থা, বনক্ষমতা আৰু উন্নত নিৰ্মাণ খণ্ডত ভাৰতৰ সৈতে বৰ্ধিত সহযোগিতাৰ কথা উল্লেখ কৰে। ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰিউভেন আজাৰ, আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰদূত মাৰিআনো কওচিনো, শ্ৰীলংকাৰ উচ্চায়ুক্ত মাহিচিনি ক'ল'নে,

নেপালৰ দূতাবাস, ফ্ৰান্সৰ দূতাবাস, অষ্ট্ৰেলিয়াৰ উপ-উচ্চায়ুক্ত আৰু কানাডাৰ উচ্চায়ুক্তই ভাৰতৰ ঐতিহ্য, বিবিধতা, অৰ্থনৈতিক সম্ভাৱনীয়তা আৰু বৰ্ধিত দ্বিপাক্ষিক সম্পৰ্কত গুৰুত্ব আৰোপ কৰি স্বাধীনতা দিৱসৰ শুভেচ্ছা জনায়। মালদ্বীপৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ইব্ৰাহিম মহম্মদ ছলি আৰু মালদ্বীপ নেচনেল পাৰ্টিৰ সভাপতি মহম্মদ নাজিমে ভাৰতৰ বিকাশ আৰু দেশখনৰ সৈতে অংশীদাৰিত্বৰ প্ৰশংসা কৰে।

০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি উলহ-মালহেৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰে। মুখ্যমন্ত্ৰীয়ে আৰক্ষী আৰু অৰ্ধ সামৰিক বাহনীৰ কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে।

এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে শেহতীয়া বানত অসমৰ সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰভাৱিত প্ৰতিগৰাকী লোকৰ পুনৰ সংস্থাপন আৰু জিলা চাৰিখনৰ হেৰুওৱা স্বাভাৱিক ছন্দ ওভোতাই অনাৰ বাবে চৰকাৰে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে বানবিধবস্ত প্ৰতিটো পৰিয়ালক চৰকাৰে আগবঢ়াই নিব। তেওঁ বান প্ৰভাৱিত লোকসকলক গৃহ ঋণ, শিক্ষা ঋণ, যানবাহন ঋণৰ কিস্তি পৰিশোধৰ ক্ষেত্ৰত ছমাহলৈ সকাহ প্ৰদান কৰাৰ কথাও উল্লেখ কৰে। বান ক্ষতিগ্ৰস্ত লোকসকলে এবছৰলৈ মাটিৰ খাজনা দিব নালাগে বুলি তেওঁ প্ৰকাশ কৰে।

অসমত বাল্য বিবাহ সম্পৰ্কীয় ১২ হাজাৰ ১৯৪ টা গোচৰ ৰুজু হোৱা বুলি উল্লেখ কৰি ডঃ শৰ্মাই পহিলা নৱেম্বৰৰ পৰা ৩০ দিনৰ বাবে বাল্য বিবাহৰ বিৰুদ্ধে অসম আৰক্ষীয়ে আপোচবিহীন অভিযান চলাব বুলি জানিবলৈ দিয়ে। তেওঁ কমলপুৰ, বঢ়মপুৰ, ৰঙানদী, চিচিবৰগাঁও, খুমটাই, বৰখলা, চাবুৱা আৰু লাহোৱাল – এই ৮ খন নতুন সমজিলা গঠনৰ কথা ঘোষণা কৰে। ৰাজ্যৰ ৪০ টা ৰাজহ চক্ৰত তিনিটা প্ৰজন্ম ধৰি বাস কৰা লোকেহে ভূমি ক্ৰয়-বিক্ৰয় কৰিব পাৰিব বুলিও তেওঁ প্ৰকাশ কৰে। স্বাস্থ্যক্ষেত্ৰক আগুৱাই নিয়াৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে প্ৰতিটো উপ-স্বাস্থ্যকেন্দ্ৰত এগৰাকীকৈ চিকিৎসকৰ দিহা কৰা হৈছে। তেওঁ লগতে ১৮ বছৰৰ তলৰ শিশুৰ ৫০ বিধ ৰোগৰ চিকিৎসা বিনামূলীয়া কৰা হ'ব বুলি উল্লেখ কৰে।

তেওঁ কয়, যে অসম চৰকাৰে যুৱ সৱলীকৰণ আৰু উন্নয়ন বিভাগ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিকশিত অসম, ২০৪৭ কাৰ্যসূচীৰ জৰিয়তে চৰকাৰে ৰাজ্যৰ পথ-বিদ্যালয়, গ্ৰামাঞ্চল আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে অহা ৪ বছৰত ৫০ হাজাৰ কোটি টকা ব্যয় কৰিব। পৰৱৰ্তী পাঁচ বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা ১ লাখ কোটি টকা অনাৰ প্ৰয়াস কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ডঃ শৰ্মাই ডিচেম্বৰৰ পৰা মিছন বসুন্ধৰাৰ চতুৰ্থ পৰ্যায় আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনসাধাৰণক লোকপিয়লত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰ গঠনত অৰিহণা যোগাবলৈ আহ্বান জনায়।

০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। নাগালেণ্ডৰ কোহিমাত থকা ৰাজ্যখনৰ সচিবালয়ত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে স্বাধীনতা যুঁজৰ সেনানিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰে। ভাৰতে গণতান্ত্ৰিক, শক্তিশালী, সমৃদ্ধিশালী আৰু প্ৰগতিশীল ৰাষ্ট্ৰ হিচাপে গঢ় লোৱাৰ দিশত সমন্বিত প্ৰচেষ্টা গ্ৰহণৰ বাবে তেওঁ জনসাধাৰণক আহ্বান জনায়। সাম্প্ৰতিক সময়ত বাৰিষা অহা

ভূমিস্খলন আৰু মন জিলাত আকস্মিক বানৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বানত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এটা আন্তঃ মন্ত্ৰালয় দলে সাহায্য আৰু পুনৰ সংস্থাপনৰ প্ৰক্ৰিয়াৰ বুজ ল'বলৈ ৰাজ্যখন ভ্ৰমণ কৰিছে।

মিজোৰামতো আজি স্বাধীনতা দিৱসৰ কাৰ্যসূচী উলহ-মালহেৰে আয়োজন কৰা হয়। আইজলত আয়োজিত কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি মুখ্যমন্ত্ৰী লালডুৱ'মাই এখন আত্মনিৰ্ভৰ আৰু উন্নত মিজোৰাম গঢ়াৰ বাবে প্ৰয়াস চলাবলৈ সকলোকে আহ্বান জনায়।

ত্ৰিপুৰাতো আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে ৰাজ্যপাল ইন্দ্ৰ সেনা ৰেড্ডি নাল্লুৰে দেশৰ স্বাধীনতা যুঁজৰ সেনানিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ আজি পুৱাৰ ভাগত আগৰতলাৰ এলবাৰ্ট এক্কা স্মাৰক উদ্যান, গান্ধীঘাট আৰু আৱৰ্ত ভৱনত ছহিদৰ স্মৃতিত পুস্পাৰ্ঘ্য তৰ্পণ কৰে। তদুপৰি ৰাজ্যখনৰ মহাৰাজা বীৰ বিক্ৰম মহাবিদ্যালয়ত স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত সংগীতানুষ্ঠানত এহেজাৰ ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বন্দে মাতৰম পৰিৱেশন কৰে।

অৰুণাচল প্ৰদেশ, মেঘালয় আৰু ছিকিমতো আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়।

০০০০

ইণ্ডোনেচিয়াৰ ফ্ল'ৰেছ খণ্ডত আজি পুৱা ৰিখটাৰ স্কেলত ৭ দশমিক ৭ প্ৰাবল্যৰ এটা ভূমিকম্পত কমেও ২০ জন লোকৰ মৃত্যু হয়। ভূমিকম্পত বহু অট্টালিকা ভাঙি পৰাৰ লগতে ভূমিস্খলন হোৱাৰ ফলত ৬ জন লোক আহত হয়। এতিয়াও ২ জন লোক সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ পাছতেই ছুনামীৰ সতৰ্কতা জাৰি কৰা হৈছিল যদিও পাছত সাগৰৰ স্তৰৰ বিশেষ পৰিৱৰ্তন প্ৰত্যক্ষ নকৰাত সতৰ্কবাণী উঠাই লোৱা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূ-বৈজ্ঞানিক সমীক্ষাই প্ৰকাশ কৰা মতে ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল ইণ্ডোনেচিয়াৰ পূব নুচা টেংগাৰাৰ এন্দে নগৰৰ পৰা প্ৰায় ৬৮ কিলোমিটাৰ উত্তৰ-উত্তৰ-পূবৰ ভূ-গৰ্ভৰ ১০ কিলোমিটাৰ গভীৰত। এই ভূমিকম্পৰ পাছতে অঞ্চলটোত কেইবাটাও সৰু-বৰ ভূইকপৰ জোকাৰণি অনুভূত হৈছে।

০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ আৰু পৰহিলৈ কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হ'ব। কাইলৈ দিনৰ ৪ বজাত ৰাছীৰ বীৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত এছ চি দিল্লীয়ে মণিপুৰৰ এফ চি ৰেংদাইৰ বিৰুদ্ধে খেলিব। নিশা ৭ বজাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াঙ্গনত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত আই এছ এলৰ ছেম্পিয়ন ইষ্ট বেংগল এফ চি য়ে ভাৰতীয় সেনাৰ ফুটবল দলৰ বিৰুদ্ধে খেলিব। আনহাতে পৰহিলৈ হ'বলগীয়া এখন খেলত মোহন বাগান জামছেদপুৰ এফ চিৰ মুখামুখি হোৱাৰ লগতে সেইদিনা নিশা ৭ বজাত শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত